**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-04-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ছৌদি আৰৱ ভ্ৰমণসূচীৰে জেদ্দাত উপস্থিত হৈছেগৈ।

২। সংবিধানৰ বিষয়বস্তু নিৰ্ধাৰণৰ ক্ষেত্ৰত জন প্ৰতিনিধিসকল প্ৰকৃত হোতা বুলি উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে মন্তব্য কৰিছে।

৩। কেন্দ্ৰীয় লোকসেৱা আয়োগে ২০২৪ বৰ্ষৰ অসামৰিক সেৱাৰ চূড়ান্ত ফলাফল ঘোষণা কৰিছে।

৪। পোপ ফ্ৰান্সিছৰ অন্ত্যেষ্টিক্ৰিয়া অহা শনিবাৰে সম্পন্ন কৰা হ'ব।

***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ ডেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

ছৌদি আৰৱৰ দুদিনীয়া ভ্ৰমণসূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি জেদ্দাত উপস্থিত হয়গৈ। অভ্যাগত প্ৰধানমন্ত্ৰীগৰাকীৰ বিমান এয়াৰ ইণ্ডিয়া ৱানক ছৌদি আকাশমাৰ্গত প্ৰৱেশ কৰাৰ সময়ত ৰয়েল ছৌদি বিমান বাহিনীৰ দুখন এফ ফিফটিন যুদ্ধ বিমানে অভিবাদন জনাই আগুৱাই আনে। জেদ্দা বিমান বন্দৰত অৱতৰণৰ পাছত প্ৰধানমন্ত্ৰী মোদীক ২১ বাৰ টোপধ্বনিৰে আদৰণি জনোৱা হয়। ছৌদি আৰৱৰ যুৱৰাজ তথা দেশখনৰ প্ৰধানমন্ত্ৰী মহম্মদ বিন ছালমানৰ আমন্ত্ৰমৰ্মে দেশখন ভ্ৰমণলৈ যোৱা প্ৰধানমন্ত্ৰী মোদীৰ এয়া হৈছে তৃতীয়টো ছৌদি আৰৱ ভ্ৰমণ। এই ভ্ৰমণৰ সময়ছোৱাত দেশ দুখনৰ মাজৰ কৌশলগত সহযোগিতা আৰু অধিক বৃদ্ধি পাব বুলি আশা কৰা হৈছে।

০০০০০

সংবিধানৰ বিষয়বস্তু নিৰ্ধাৰণৰ ক্ষেত্ৰত জন প্ৰতিনিধিসকল প্ৰকৃত হোতা বুলি উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে মন্তব্য কৰিছে। আজি দিল্লী বিশ্ববিদ্যালয়ৰ এটা অনুষ্ঠানত ভাষণ দি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে সংসদ সৰ্বোচ্চ বুলি মন্তব্য কৰে। তেওঁ লগতে কয়, যে সংবিধানত সংসদৰ ঊৰ্ধত কোনো কৰ্তৃপক্ষৰ কল্পনা কৰা হোৱা

নাই। শ্ৰীধনখড়ে কয়, যে জনসাধাৰণে সংবিধানৰ অধীনত নিজৰ আশা-আকাংক্ষা আৰু ইচ্ছাক প্ৰতিফলিত কৰাৰ বাবে প্ৰতিনিধি নিৰ্বাচিত কৰে আৰু নিৰ্বাচনৰ সময়ত এই প্ৰতিনিধিসকলক জৱাবদিহি কৰা হয়।

০০০০০

কেন্দ্ৰীয় লোকসেৱা আয়োগে ২০২৪ বৰ্ষৰ অসামৰিক সেৱাৰ চূড়ান্ত ফলাফল ঘোষণা কৰিছে। আয়োগে নিযুক্তিৰ বাবে এহেজাৰ ৯ গৰাকী পৰীক্ষাৰ্থীৰ নামৰ পৰামৰ্শ আগবঢ়াইছে। ইয়াৰে ভিতৰত ৭২৫ গৰাকী পুৰুষ আৰু ২৮৪ গৰাকী মহিলা আছে। শীৰ্ষৰ ৫ গৰাকী পৰিক্ষাৰ্থীৰ ভিতৰত ৩ গৰাকী মহিলা আৰু ২ গৰাকী পুৰুষ আছে। শক্তি ডুবেই ২০২৪ বৰ্ষৰ অসামৰিক সেৱাৰ পৰীক্ষাত প্ৰথম স্থান লাভ কৰিছে। হৰ্ষিতা গোৱেলে দ্বিতীয় আৰু ডোংৰে আৰ্চিত পৰাগে তৃতীয় স্থান লাভ কৰিছে। কেন্দ্ৰীয় লোকসেৱা আয়োগে যোৱা বছৰ ছেপ্তেম্বৰত অসামৰিক সেৱাৰ লিখিত পৰীক্ষাৰ আয়োজন কৰিছিল আৰু ইয়াৰ পাছত যোৱা জানুৱাৰীৰ পৰা এপ্ৰিললৈ সাক্ষাৎকাৰ অনুষ্ঠিত হৈছিল।

০০০০০

জম্মু কাশ্মীৰৰ অনন্তনাগ জিলাৰ পহলগাম এলেকাত আজি অচিনাক্ত সন্ত্ৰাসবাদীৰ এটা গোটে পৰ্য্যটকৰ ওপৰত আক্ৰমণ চলায়। শ্ৰীনগৰৰ পৰা প্ৰায় ৮৫ কিলোমিটাৰ নিলগৰ পহলগামৰ বেইচৰণ বনাঞ্চলত এই আক্ৰমণ সংঘটিত হয়। আক্ৰমণত কেইজনমান পৰ্য্যটক আহত হোৱা বুলি জানিব পৰা গৈছে। অৱশ্যে আক্ৰমণত কিমানজন লোক আহত হৈছে, সেই বিষয়ে থিৰাংকৈ জানিব পৰা হোৱা নাই। আহতসকলক জিলা চিকিৎসালয়লৈ নিয়া হৈছে। সুৰক্ষা বাহিনীয়ে আক্ৰমণকাৰীসকলক কৰায়ত্ব কৰাৰ বাবে অঞ্চলটো ঘেৰি তালাচী অভিযান আৰম্ভ কৰিছে।

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে এই আক্ৰমণৰ বিষয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অৱগত কৰিছে। গৃহ মন্ত্ৰীগৰাকী সকলো সংস্থাৰ সৈতে জৰুৰী সুৰক্ষা পৰ্য্যালোচনা বৈঠকত মিলিত হোৱাৰ উদ্দেশ্যে শীঘ্ৰে শ্ৰীনগৰলৈ যাব। শ্ৰীশ্বাহে লগতে এই আক্ৰমণ সম্পৰ্কে ভি ডি অ' কনফাৰেন্সিং ব্যৱস্থাৰে সংশ্লিষ্ট বিষয়াসকলৰ সৈতে এখন বৈঠকতো মিলিত হয়। সন্ত্ৰাসবাদী আক্ৰমণক লৈ ক্ষোভ প্ৰকাশ কৰি কেন্দ্ৰীয় গৃহ মন্ত্ৰীগৰাকীয়ে কয়, যে কাপুৰুষালী ভৰা এই আক্ৰমণৰ সৈতে জড়িতসকলক সাৰি যাবলৈ দিয়া নহ'ব আৰু চৰকাৰে এই আক্ৰমণৰ ষড়যন্ত্ৰকাৰীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব। তেওঁ লগতে সামাজিক মাধ্যমযোগে আহতসকলৰ পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

সূত্ৰৰ পৰা জানিব পৰা মতে, শ্ৰীমোদীয়ে গৃহ মন্ত্ৰী শ্বাহৰ সৈতে হোৱা কথোপকথনত তেওঁক প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰু আক্ৰমণস্থলী পৰিদৰ্শন কৰিবলৈ কৈছে।

জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিন্হা আৰু মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লায়ো এই আক্ৰমণক তীব্ৰ গৰিহণা দিছে।

০০০০০

পোপ ফ্ৰান্সিছৰ অন্ত্যেষ্টিক্ৰিয়া অহা শনিবাৰে সম্পন্ন কৰা হ'ব। ৰোমৰ বেচিলিকা অৱ মেৰী মেজৰ গীৰ্জাঘৰত অন্ত্যেষ্টিক্ৰিয়াৰ কাৰ্য্যসূচী অনুষ্ঠিত হ'ব। বিশ্বৰ ভালেমান নেতা আৰু বিদেশী ৰাষ্ট্ৰৰ বিশিষ্ট ব্যক্তিয়ে পোপগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়াত অংশগ্ৰহণ কৰিব। ১২ বছৰীয়া পোপৰ পদবীত থকা কালছোৱাৰ তেওঁৰ বাসগৃহ ছেপেল অৱ দ্যা ছাণ্টা মাৰ্টাত সম্প্ৰতি তেওঁৰ মৃতদেহ ৰখা হৈছে। ৰাইজৰ দৰ্শনাৰ্থে কাইলৈ তেওঁৰ কফিন

ভেটিকান চিটিৰ ছেণ্ট পিটাৰ্ছ বেচিলিকালৈ নিয়া হ'ব। পৰম্পৰা অনুসৰি, মৃত্যুৰ পাছত পোপসকলক ভেটিকানৰ ছেণ্ট পিটাৰ্ছ বেচিলিকাত সমাধিস্থ কৰা হয় যদিও পোপ ফ্ৰান্সিছে তেওঁৰ প্ৰিয় দেৱী মেড'নাৰ মূৰ্তিৰ কাষত ৰোমৰ ছেণ্ট মেৰী মেজৰ বেচিলিকাত সমাধিস্থ হোৱাৰ ইচ্ছা প্ৰকাশ কৰিছিল। তেওঁৰ ইচ্ছা অনুসৰিয়েই শনিবাৰে সম্পূৰ্ণ কেথলিক নিয়ম অনুযায়ী পোপ ফ্ৰান্সিছৰ শেষকৃত্য সম্পন্ন কৰা হ'ব। ভেটিকানৰ সূত্ৰই জনোৱা মতে, পোপ ফ্ৰান্সিছৰ মৃত্যুৰ নৱম দিনা অৰ্থাৎ চৰকাৰী শোকৰ সময়ছোৱা অতিবাহিত হোৱাৰ পাছত বিশ্বৰ প্ৰায় ১৪০ কোটি কেথলিক লোকৰ সৰ্বোচ্চ ধৰ্মগুৰুৰ পদত নতুন এগৰাকী ধৰ্ম যাজকক নিযুক্ত কৰা হ'ব।

০০০০০

ভাৰত আৰু আমেৰিকাৰ মাজৰ অংশীদাৰিত্বমূলক বাণিজ্যিক সম্পৰ্কৰ ওপৰত শতিকাটোৰ ভৱিষ্যৎ নিৰ্ভৰ কৰে বুলি আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতি জে ডি ভান্সে মন্তব্য কৰিছে। তেওঁ কয়, যে ভাৰত আৰু আমেৰিকাই বাণিজ্যিক আলোচনাৰ বাবে আনুষ্ঠানিকভাৱে চৰ্ত চূড়ান্ত কৰিছে। ইয়াৰ জৰিয়তে দুয়োখন দেশৰ মাজৰ পৰিকল্পনা প্ৰস্তুত কৰা হৈছে। জয়পুৰৰ ৰাজস্থান আন্তঃৰাষ্ট্ৰীয় কেন্দ্ৰত আজি আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ভাষণ দিয়ে। ভান্সে কয়, যে আমেৰিকাৰ ৰাষ্ট্ৰপতি ট্ৰাম্পৰ শুল্ক নীতিক সমালোচনা কৰা হৈছে যদিও প্ৰকৃততে তেওঁ ভাৰসাম্য বাণিজ্যিক পৰিৱেশহে সৃষ্টি কৰিছে। তেওঁ কয়, যে প্ৰতিৰক্ষা খণ্ডত ভাৰত হৈছে আমেৰিকাৰ ঘনিষ্ঠ আৰু বিশ্বাসী সহযোগী। আমেৰিকাই ভাৰতক বিশ্বমানৰ প্ৰতিৰক্ষা সা-সঁজুলি যোগান ধৰিবলৈ বিচাৰে বুলিও তেওঁ কয়। শক্তি খণ্ডতো উভয় ৰাষ্ট্ৰৰ মাজত সহযোগিতা বৃদ্ধি কৰাৰ পূৰ্ণ সম্ভাৱনা আছে বুলি তেওঁ কয়। শ্ৰীভান্সে ভাৰতত নতুন গৃহ নিৰ্মাণৰ ক্ষেত্ৰত সহযোগিতাৰ দিশটোৰ লগতে জীৱন-ধাৰণৰ মান উন্নত কৰাৰ বাবে সা-সুবিধা বৃদ্ধি কৰাৰ ক্ষেত্ৰতো গুৰুত্ব দিয়ে।

০০০০০

বিজেপিয়ে নেচনেল হেৰাল্ড গোচৰক লৈ কংগ্ৰেছক তীব্ৰ সমালোচনা কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বিজেপিৰ মুখপাত্ৰ নলিন কোহলীয়ে কয়, যে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে অলপতে নিৰ্বাচন আয়োগ আৰু নিৰ্বাচনৰ পৰিচালনা সন্দৰ্ভত কৰা মন্তব্যই দলটোৱে যে নেচনেল হেৰাল্ড গোচৰৰ পৰা নিজকে আঁতৰাই ৰখাৰ চেষ্টা কৰিছে, সেয়া প্ৰতিফলিত কৰে। শ্ৰীকোহলীয়ে কয়, যে কংগ্ৰেছে নিৰ্বাচন আয়োগক সমালোচনা কৰি বিষয়টোৰ পৰা জনসাধাৰণৰ মনোযোগ অন্যফালে ঢাল খুওৱাৰ চেষ্টা চলাইছে।

০০০০০

আজি বিশ্ব ধৰিত্ৰী দিৱস। জলবায়ু পৰিৱৰ্তন, প্ৰদূষণ, বনাঞ্চল ধবংস আৰু জৈৱ বৈচিত্ৰৰ ক্ষতিৰ দৰে পৰিৱেশৰ সৈতে জড়িত সমস্যাসমূহৰ বিষয়ে সজাগতা বৃদ্ধি কৰাৰ উদ্দেশ্যে প্ৰতি বছৰে বিশ্ব ধৰিত্ৰী দিৱস পালন কৰি অহা হৈছে। ১৯৬৯ চনত ইউনেস্ক' সন্মিলনত গ্ৰহণ কৰা পৰামৰ্শ অনুসৰি ১৯৭০ চনৰ পৰা আজিৰ দিনটোতে এই দিৱস পালন কৰি অহা হৈছে। এই দিনটো বিশ্বত মানৱ জাতিৰ সামূহিক প্ৰভাৱৰ বিষয়ে চিন্তা-চৰ্চা কৰাৰ লগতে ইতিবাচক পৰিৱৰ্তন সাধনৰ বাবে চিন্তা-চৰ্চা কৰাৰ দিন হিচাপে বিবেচিত কৰা হয়। এইবেলি বিশ্ব ধৰিত্ৰী দিৱসৰ বিষয়বস্তু হৈছে- 'আমাৰ শক্তি, আমাৰ গ্ৰহ'। বিশ্ব ধৰিত্ৰী দিৱস উদযাপনৰ ৫৫ বছৰ পূৰ্ণ হোৱাৰ উপলক্ষে আজি বিশ্বৰ ১৯২ খন দেশৰ জনসাধাৰণে বিভিন্ন কাৰ্যসূচীত অংশ লৈছে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে শ্ৰমিকসকলক গ্ৰীষ্ম প্ৰৱাহৰ প্ৰকোপৰ পৰা ৰক্ষা কৰাৰ উদ্দেশ্যে ততালিকে ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ প্ৰতি পৰামৰ্শাৱলী জাৰি কৰিছে। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰম আৰু নিয়োগ মন্ত্ৰী মনসুখ মন্দাভিয়াই কয়, যে শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে এই সন্দৰ্ভত ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুখ্য সচিব আৰু প্ৰশাসকসকললৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। তেওঁ কয়, যে শ্ৰমিকসকলৰ বাবে গ্ৰীষ্ম প্ৰৱাহৰ পৰা সুৰক্ষা প্ৰদানৰ ব্যৱস্থাৱলী ফলপ্ৰসূভাৱে ৰূপায়ণ কৰিবলৈ নিয়োগকৰ্তা, উদ্যোগ আৰু নিৰ্মাণ কোম্পানীসমূহক নিৰ্দেশ দিবলৈ ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহক কোৱা হৈছে। পৰামৰ্শাৱলীত দিনৰ আটাইতকৈ বেছি গৰম পৰা সময়খিনি এৰাই চলাৰ বাবে কামৰ সময় পুনৰ নিৰ্ধাৰণ কৰিবলৈ কোৱা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ইয়াৰ উপৰি, শ্ৰমিকসকলৰ বাবে পৰ্য্যাপ্ত খোৱা পানী আৰু নিয়মীয়া স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা কৰিবলৈ পৰামৰ্শ আগবঢ়োৱা হৈছে। শ্ৰীমন্দাভিয়াই কয়, যে ই এছ্ আই চিৰ অধীনত চিকিৎসালয় আৰু ঔষধালয়সমূহক গ্ৰীষ্ম প্ৰৱাহজিনত সমস্যাৰ বাবে সুকীয়া ডেস্ক স্থাপন কৰিবলৈ আৰু গ্ৰীষ্ম প্ৰৱাহজনিত ৰোগ নিয়ন্ত্ৰণৰ বাবে অ' আৰ এছ্, আইচপেক আৰু অন্য প্ৰয়োজনীয় সামগ্ৰীৰ উপলব্ধতা সুনিশ্চিত কৰিবলৈ কোৱা হৈছে।

ooooo

মধ্য প্ৰদেশৰ দামোহ জিলাত আজি হোৱা এটা পথ দুৰ্ঘটনাত ৫ গৰাকী মহিলা আৰু তিনিটি শিশুসহ একেটা পৰিয়ালৰ ৮ জন সদস্যই প্ৰাণ হেৰুৱায়। এই দুৰ্ঘটনাত অন্য ৫ জন লোক আহত হয়। আহতসকলক দামোহৰ জিলা চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

ooooo

পাকিস্তানৰ সিন্ধ প্ৰদেশৰ জেমশ'ৰ জিলাত এখন তীব্ৰ বেগী বাহন এটা হোলাত পৰি যোৱাৰ ফলত ১৬ জন লোকৰ মৃত্যু হোৱাৰ লগতে আন ৩০ জন লোক গুৰুতৰভাৱে আহত হৈছে। উপায়ুক্ত গজনফাৰ কোৱাড্ৰিয়ে জনোৱা মতে, বাহনখনে পাঞ্জাৱ প্ৰদেশৰ লাপাৰিৰ পৰা সিন্ধ প্ৰদেশৰ বাদান অভিমুখে গৈ আছিল।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত লক্ষ্ণৌত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ ডেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাত যোৱা নিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে কলকাতা নাইট ৰাইডাৰ্ছক ৩৯ ৰানত পৰাস্ত কৰি প্ৰতিযোগিতাৰ চলিত সংস্কৰণত নিজৰ ষষ্ঠ বিজয় সাব্যস্ত কৰে।

ooooo

সমাপ্ত